**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 05-06-2026** **Time : 1340 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

## ***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটৰ ছুৰাটত ১৮ হাজাৰ ৮০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

২। দেশৰ বিভিন্ন প্ৰান্তত আজি বিশ্ব পৰিৱেশ দিৱস পালন কৰা হৈছে। এই উপলক্ষে প্ৰধানমন্ত্ৰী, লোকসভাৰ অধ্যক্ষকে ধৰি বিভিন্নজনে দেশবাসীক শুভেচ্ছা জনাইছে।

৩। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম মন্ত্ৰীসভাত স্থান লাভ কৰা ১২ গৰাকী মন্ত্ৰীয়ে আজি শপত গ্ৰহণ কৰে।

৪। প্ৰশান্ত লোখাণ্ডেক চি বি এছ ইৰ নতুন অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হৈছে।

আৰু

৫। উত্তৰ প্ৰদেশৰ বাল্লিয়াৰ জয়প্ৰকাশ নাৰায়ণ পক্ষী অভয়াৰণ্যই দেশৰ ১০০ সংখ্যক ৰামচৰ ক্ষেত্ৰ হিচাপে স্বীকৃতি লাভ কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটৰ ছুৰাটত ১৮ হাজাৰ ৮০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ পথ, শক্তি আৰু ঔদ্যোগিক খণ্ডৰ ভালেমান উন্নয়নমূলক প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে জনসভাত অংশগ্ৰহণৰ পূৰ্বে হাজিৰালৈ যাব আৰু তাত তেওঁ নিৰ্মীয়মান ঔদ্যোগিক আৰু আন্তঃগাঁথনি প্ৰকল্পৰ পৰ্যালোচনা কৰিব। প্ৰধানমন্ত্ৰীয়ে আজি ছুৰাটত ২০০ খন বিছনাযুক্ত এখন ই এছ আই চি চিকিৎসালয় মুকলি কৰিব। সন্ধিয়াৰ ভাগত তেওঁ দমনলৈ যাব আৰু তাত দুহেজাৰ ৯৭০ কোটি টকা ব্যয় সাপেক্ষ বহুকেইটা উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পসমূহৰ ভিতৰত স্বাস্থ্য, অসামৰিক বিমান পৰিবহণ, পৰ্যটন, আন্তঃগাঁথনি, যোগাযোগ আৰু জনকল্যাণ খণ্ডৰ প্ৰকল্প অন্যতম। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে নমো বিমান বন্দৰৰ নতুন টাৰ্মিনেল ভৱন আৰু নমো চিকিৎসালয়কৈ ধৰি প্ৰায় এহেজাৰ ৩৪০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন কৰিব। বিমান বন্দৰৰ এই নতুন টাৰ্মিনেলে দমনৰ আঞ্চলিক বিমান যোগাযোগ শক্তিশালী কৰাৰ লগতে অঞ্চলটোৰ অৰ্থনৈতিক বিকাশতো অৰিহণা যোগাব।

০০০০০

আজি বিশ্ব পৰিৱেশ দিৱস। পৃথিৱী আৰু প্ৰকৃতিক সুৰক্ষাৰ বাবে ইতিবাচক পৰিৱেশ সম্পৰ্কীয় কাৰ্যকৰী ব্যৱস্থা গ্ৰহণৰ উদ্দেশ্যে বিশ্বজুৰি সজাগতা সৃষ্টিৰ লক্ষ্যৰে এই দিৱস পালন কৰা হয়। ১৯৭৩ চনৰ পৰা ৰাষ্ট্ৰসংঘৰ পৰিৱেশ কাৰ্যসূচীৰ অংশ হিচাপে প্ৰতিবছৰে ৫ জুনত এই দিৱস পালন কৰি অহা হৈছে। এইবাৰ এই দিৱসৰ বিষয়বস্তু হৈছে – ‘প্ৰকৃতিৰ পৰা অনুপ্ৰেৰণা লাভ। আমাৰ জলবায়ু আৰু আমাৰ ভৱিষ্যতৰ বাবে’।

বিশ্ব পৰিৱেশ দিৱস উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জনাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে এজোপা গছ মাৰ নামত পদক্ষেপৰ দৰে কাৰ্যসূচীসমূহে প্ৰতি বছৰে প্ৰায় ১ লাখ ১০ হেক্টৰ বনাঞ্চল বৃদ্ধিত গুৰুত্বপূৰ্ণ অৰিহনা যোগাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে পৰিৱেশ সংৰক্ষণৰ কামত নিয়োজিত সকলোৰে প্ৰশংসা কৰে। তেওঁ কয় যে এই দিনটোৱে পৰিৱেশ সুৰক্ষা আৰু বহনক্ষম বিকাশ

বৃদ্ধিৰ ক্ষেত্ৰত থকা প্ৰতিশ্ৰুতিবদ্ধতাক পুনৰ নিশ্চিত কৰে। তেওঁ বিগত দশকত চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপত আলোকপাত কৰে। শ্ৰীমোদীয়ে কয় যে এখন পৃথিৱী, এটা পৰিয়াল আৰু এটা ভৱিষ্যতৰ আদৰ্শৰে ভাৰতে মিছন লাইফৰ জৰিয়তে অধিক পৰিচ্ছন্ন, অধিক সেউজীয়া আৰু অধিক বহনক্ষম গ্ৰহ হিচাপে পৃথিৱীখনক গঢ়ি তোলাৰ দিশত নিৰন্তৰ কাম কৰি যাব।

বিশ্ব পৰিবেশ দিৱস উপলক্ষে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই তেওঁৰ বাৰ্তাত কয় যে পৰিবেশ কেৱল আমাৰ অস্তিত্বৰ আধাৰশিলাই নহয়, বৰং ভৱিষ্যৎ প্ৰজন্মৰ বাবে ইয়াক সংৰক্ষণ কৰাৰ দিশত এটা মহান দায়িত্ব। বৰ্তমানৰ সময়ত সমগ্ৰ বিশ্বই জলবায়ু পৰিৱৰ্তনৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ সময়ত প্ৰতিজন লোকে দৈনন্দিন জীৱনত সৰু সৰু ইতিবাচক পৰিৱৰ্তন আনি পৰিবেশ সুৰক্ষাত অৰিহণা যোগোৱাটো সকলোৰে কৰ্তব্য বুলি শ্ৰীবিৰলাই মন্তব্য কৰে। লোকসভাৰ অধ্যক্ষগৰাকীয়ে লগতে কয় যে সংসদ চৌহদৰ সেউজীকৰণ, পৰিস্কাৰ পৰিবেশ, কাগজবিহীন কাম, এবাৰ ব্যৱহৃত প্লাষ্টিকত নিষেধাজ্ঞা আৰোপ আৰু পৰিবেশ অনুকূল সংসদীয় ভৱনৰ দৰে পদক্ষেপ প্ৰকৃতি আৰু প্ৰগতিৰ মাজৰ সন্তুলিত সমন্বয়ৰ অনুপ্ৰেৰণামূলক উদাহৰণ।

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে পৰিবেশ সংৰক্ষণৰ দিশত অধিক সজাগতা সৃষ্টিৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জনসাধাৰণক এই অভিযানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়।

ooooooo

বিশ্ব পৰিবেশ দিৱস উপলক্ষে পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী ভূপেন্দ্ৰ যাদৱ আৰু দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই আজি নতুন দিল্লীত ১৮খন নমো অক্সিজেন উদ্যান মুকলি কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে এজোপা গছ মাৰ নামত শীৰ্ষক ৰাষ্ট্ৰজোৰা অভিযানৰ অধীনত এলানি পৰিবেশ কাৰ্যসূচী মুকলি কৰে। অনুষ্ঠানত ভাষণ দি শ্ৰীযাদৱে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত পৰিবেশ সম্বন্ধীয় কাৰ্যত ভাৰত বিশ্বনেতা হিচাপে পৰিচিত হৈছে। তেওঁ কয় যে ভাৰতে সৌৰশক্তি স্থাপনত বিশ্বৰ এখন আগশাৰীৰ ৰাষ্ট্ৰ হিচাপে পৰিগণিত হোৱাৰ উপৰি আন্তঃৰাষ্ট্ৰীয় সৌৰ মিত্ৰতা স্থাপন, আন্তঃৰাষ্ট্ৰীয় বিগ কেট এলায়েন্স আৰু ৰাষ্ট্ৰসংঘৰ জলবায়ু পৰিৱৰ্তন ৰূপৰেখা সন্মিলনৰ অধীনত নিৰ্ধাৰিত কেতবোৰ লক্ষ্য প্ৰাপ্তিৰ জৰিয়তে বহু গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি লাভ কৰিছে।

দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজি বিশ্ব পৰিবেশ দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈছে। ৰাজ্যখনত আজি ১ কোটি গছপুলি ৰোপণৰ লক্ষ্য লোৱা হৈছে। আত্মসহায়ক গোটৰ ৩৫ লাখতকৈ অধিক মহিলাই এই অভিযানত অংশ লৈছে।

ooooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম মন্ত্ৰীসভাত স্থান লাভ কৰা ১২ গৰাকী মন্ত্ৰীয়ে আজি শপত গ্ৰহণ কৰে। গুৱাহাটীৰ খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই নতুন মন্ত্ৰীসকলক শপতবাক্য পাঠ কৰোৱায়। শপত গ্ৰহণ অনুষ্ঠানত এন ডি এ মিত্ৰজোঁটৰ মন্ত্ৰী-বিধায়ক তথা দলীয় নেতা-কৰ্মীসকল উপস্থিত থাকে।

উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ড° শৰ্মাই কালি আনুষ্ঠানিকভাৱে ঘোষণা কৰা সম্প্ৰসাৰিত মন্ত্ৰীসভাত এন ডি এৰ ১২গৰাকী বিধায়কে স্থান লাভ কৰে। ইয়াৰে ১১ গৰাকী বিজেপিৰ আৰু এগৰাকী অসম গণ পৰিষদৰ।

ooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অহা ২৩ জুনত ২০২৬ বৰ্ষৰ পদ্ম বঁটা লাভ কৰা ৬৫গৰাকী ব্যক্তিক এই সন্মান প্ৰদান কৰিব। যোৱা মাহত ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এই অনুষ্ঠানৰ প্ৰথম পৰ্যায়ত ৬৬গৰাকী ব্যক্তিক পদ্ম বঁটা প্ৰদান কৰা হৈছিল। চলিত বৰ্ষত পাঁচটা পদ্ম বিভূষণ, ১৩টা পদ্মভূষণ আৰু ১১৩টা পদ্মশ্ৰী বঁটাকে ধৰি মুঠ ১৩১গৰাকী ব্যক্তিলৈ এই সন্মান আগবঢ়োৱা হৈছে। প্ৰতি বছৰৰ গণৰাজ্য দিৱসৰ দিনা এই

বঁটা ঘোষণা কৰা হয়। কলা, সমাজ সেৱা, ৰাজহুৱা পৰিক্ৰমা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, বাণিজ্য আৰু উদ্যোগ, চিকিৎসা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া আৰু অসামৰিক সেৱাকে ধৰি উল্লেখনীয় অৱদান আগবঢ়োৱা লোকলৈ এই সন্মানীয় বঁটা আগবঢ়োৱা হয়।

০০০০০০০

চি বি এছ ইৰ দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ ফলাফল ঘোষণাৰ পৰৱৰ্তী সময়ত প্ৰায় ৭০ হাজৰৰো অধিক শিক্ষাৰ্থীয়ে অভিযোগ উত্থাপন কৰি ইয়াৰ নিৰাময়ৰ বাবে আবেদন দাখিল কৰিছে। ইয়াৰে সাত হাজাৰ ৩১৪ গৰাকী আবেদনকাৰীয়ে নম্বৰৰ পুনৰীক্ষণৰ বাবে আৰু ৬৩ হাজাৰতকৈও অধিক আবেদনকাৰীয়ে পুনৰ মূল্যায়ণৰ বাবে আবেদন কৰিছে। উল্লেখযোগ্য যে, উত্তৰ বহীৰ স্কেন কপি পৰ্যৱেক্ষণ কৰা আৰু সমস্যাৰ পৰীক্ষণ তথা পুনৰ মূল্যায়ণৰ বাবে চি বি এছ ই কৰ্তৃপক্ষই যোৱা মঙলবাৰে এটা অনলাইন প'ৰ্টেল মুকলি কৰিছিল।

যোৱা ১৩ মে'ত দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হৈছিল যদিও পৰীক্ষাৰ্থীসকলৰ এক বুজন অংশই প্ৰাপ্ত নম্বৰ সন্দৰ্ভত অসন্তুষ্টি প্ৰকাশ কৰি OSM পদ্ধতি অৰ্থাৎ অন স্ক্ৰীণ মাৰ্কিং ব্যৱস্থা সন্দৰ্ভত সন্দেহ প্ৰকাশ কৰিছিল। ইয়াৰ পাছতে শিক্ষা মন্ত্ৰালয়ে OSM ব্যৱস্থাৰ কাৰ্যক্ষমতা, চুক্তিবদ্ধ বাধ্যবাধকতা আৰু গুণগত নিয়ন্ত্ৰণ ব্যৱস্থা সন্দৰ্ভত পৰ্যালোচনা আৰম্ভ কৰে। শিক্ষাৰ্থীৰ মনত আত্মবিশ্বাস বজাই ৰখা আৰু জবাবদিহিতাৰ অংশ হিচাপে মন্ত্ৰালয়ে চি বি এছ ইৰ অধ্যক্ষ ৰাহুল সিং আৰু সচিব হিমাংশু গুপ্তাক বদলি কৰাৰ লগতে প্ৰশান্ত লোখান্দেক চি বি এছ ইৰ নতুন অধ্যক্ষ হিচাপে নিযুক্তি দিয়ে। উল্লেখযোগ্য যে চলিত মাহৰ ২ জুনত চৰকাৰে সামৰ্থ বিকাশ আয়োগৰ অধ্যক্ষ এছ ৰাধা চৌহানৰ অধীনত স্বতন্ত্ৰ অনুসন্ধানৰ নিৰ্দেশ দিছিল।

০০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ প্ৰদেশৰ বাল্লিয়াৰ জয়প্ৰকাশ নাৰায়ণ পক্ষী অভয়াৰণ্যই দেশৰ ১০০ সংখ্যক ৰামচৰ ক্ষেত্ৰ হিচাপে চিহ্নিত হোৱাত সন্তুষ্টি প্ৰকাশ কৰিছে। পক্ষী জৈৱ বৈচিত্ৰ্যৰে চহকী এই আৰ্দ্ৰভূমিয়ে বিভিন্ন প্ৰকাৰৰ পৰিভ্ৰমী চৰাইক আকৰ্ষণ কৰাৰ লগতে ই হৈছে বহু চৰাইৰ বাসভূমি। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয় যে ইয়াৰ জৰিয়তে দেশৰ প্ৰাকৃতিক পৰিবেশ তথা আৰ্দ্ৰভূমিসমূহ সংৰক্ষণৰ দিশত থকা প্ৰতিশ্ৰুতিবদ্ধতা স্পষ্টকৈ প্ৰতিফলিত হয়। বিগত বছৰসমূহত সমুদায় অংশগ্ৰহণ কাৰ্যসূচী, বিজ্ঞান, উদ্ভাৱন আৰু সজাগতামূলক কাৰ্যসূচীৰ জৰিয়তে আৰ্দ্ৰভূমিসমূহৰ সংৰক্ষণ আৰু পুনৰ বাসোপযোগী কৰি তোলাৰ ক্ষেত্ৰত যথেষ্ট কাম কৰা হৈছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। তেওঁ কয় যে এনে প্ৰচেষ্টাই জৈৱ-বৈচিত্ৰ্য সংৰক্ষণত সহায় কৰাৰ লগতে পৰিবেশৰ ভাৰসাম্য বজাই ৰখা আৰু অনাগত প্ৰজন্মৰ বাবে সেউজ ভৱিষ্যৎ গঢ়ি তোলাত অৰিহণা যোগাইছে।

০০০০০০০

সমাপ্ত